**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 25-01-2026

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***

**HEADLINE**

ooooo

১। ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাক্-সন্ধিয়া কিছু সময় পাছতে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ দেশবাসীক উদ্দেশ্যি ভাষণ। দেশজুৰি গণৰাজ্য দিৱসৰ প্ৰস্তুতি সম্পূৰ্ণ।

২। অসমৰ পাঁচগৰাকী বিশিষ্ট ব্যক্তিলৈ চলিত বছৰৰ পদ্ম সন্মান।

৩। গুৱাহাটীত ডনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ উত্তৰ পূৰ্বাঞ্চলৰ দুটা বাঁহ প্ৰকল্প মুকলি।

৪। অসমৰ দুশবছৰীয়া চাহ উদ্যোগৰ অনন্য অৱদানৰ স্বীকৃতিস্বৰূপে মুখ্যমন্ত্ৰীৰ ‘এটি কলি দুটি পাত’ আঁচনিৰ শুভাৰম্ভ।

**আৰু**

৫। গুৱাহাটীৰ বৰ্ষাপাৰাত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ আজি তৃতীয়খন খেল।

ooooo

সমগ্ৰ দেশতে কাইলৈ ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ কৰ্তব্যপথত গণৰাজ্য দিৱসৰ পতাকা উৰুৱাব। ইয়াৰ পাছতে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন আৰু ২১ জাই টোপধ্বনিৰে সম্ভাষণ জনোৱা হ’ব। গণৰাজ্য দিৱস উপলক্ষে কৰ্তব্যপথত হ’বলগীয়া পেৰেডত সমাজৰ বিভিন্ন খণ্ডৰ ১০ হাজাৰ বিশেষ অতিথি উপস্থিত থাকিব। এইবাৰৰ দিৱসৰ কাৰ্য্যসূচীত ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ভনডেৰ লিয়েন বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। এইবাৰৰ পেৰেডত অসমৰ ধুবুৰীৰ আশাৰিকান্দিৰ বিখ্যাত পোৰামাটিৰ শিল্প প্ৰতীকপট হিচাপে প্ৰদৰ্শন কৰা হ’ব। ভৌগোলিক সূচ্যাংকৰ স্বীকৃতি লাভ কৰা এই শিল্প এইবাৰৰ পেৰেডত দেশবাসীৰ সন্মুখত উজ্বলি উঠিব।

ৰাজ্যৰ প্ৰতিখন জিলাতে গণৰাজ্য দিৱসৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত জনসাধাৰণৰ সুৰক্ষা আৰু নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে স্পৰ্শকাতৰ স্থানসমূহকে ধৰি বিভিন্ন নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। গুৱাহাটীৰ খানাপাৰত থকা অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচী উদযাপন কৰা হ’ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পুৱা ৯ বজাত গণৰাজ্য দিৱসৰ পতাকা উৰুৱাব। ইতিমধ্যে খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত ২৪টা দলে কুছকাৱাজৰ অনুশীলন অব্যাহত ৰাখিছে। এইবেলি মিজোৰাম আৰক্ষীৰ এটা দলেও কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। ডিব্ৰুগড় জিলাতো গণৰাজ্য দিৱসৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে। জিলাখনৰ খনিকৰ খেলপথাৰত হ’বলগীয়া গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পতাকা উৰুৱাব। গণৰাজ্য দিৱস উপলক্ষে জিলাখনত

আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। গোলাঘাট জিলাত গণৰাজ্য দিৱস উপলক্ষে সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰি তোলা হৈছে। জিলাখনৰ কেতবোৰ স্পৰ্শকাতৰ এলেকাক আজিৰে পৰা কাইলৈ পৰ্যন্ত অস্থায়ী ৰেড জ'ন হিচাপে ঘোষণা কৰা হৈছে। এই সময়ছোৱাত নিৰ্দিষ্ট অঞ্চলসমূহৰ ওপৰেৰে ড্ৰোণ নাইবা মানৱবিহীন উৰণ যন্ত্ৰ ব্যৱহাৰত কঠোৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। নিৰ্দেশ অমান্য কৰিলে আইন অনুসৰি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি কোৱা হৈছে।

শ্ৰীভূমি জিলাতো কাইলৈ গণৰাজ্য দিৱস উদযাপন কৰা হ'ব। এই উপলক্ষে কুচ-কাৱাজৰ অনুশীলন সম্পূৰ্ণ হৈছে। কাইলৈ দিৱসৰ পেৰেডত বিভিন্ন বিভাগৰ প্ৰতীকপট, বিহু, মণিপুৰী, ঝুমুৰ নৃত্যকে ধৰি বিভিন্ন সাংস্কৃতিক কাৰ্য্যসূচী থাকিব।

কাছাৰ জিলাৰ শিলচৰতো গণৰাজ্য দিৱস উদযাপন কৰা হ'ব। দিৱসৰ প্ৰাক্-ক্ষণত আজি ৰাষ্ট্ৰীয় চেতনা, নাগৰিক অংশগ্ৰহণ আৰু একতা শক্তিশালী কৰাৰ লক্ষ্যৰে তথা ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে মটৰ চাইকেল সমদল উলিওৱা হয়।

দক্ষিণ শালমাৰা মানকাচাৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী অঞ্চলত গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। জিলাখনৰ অসম-মেঘালয় সীমান্তৱৰ্তী এলেকাসমূহত আৰক্ষীয়ে তালাচী অভিযান চলাই থকাৰ লগতে পহৰাৰ ব্যৱস্থা কৰিছে। মেঘালয়ৰ পৰা জিলাখনত প্ৰৱেশ কৰা বাহনসমূহত তালাচী চলোৱা হৈছে। তদুপৰি বাংলাদেশৰ সৈতে সংলগ্ন আন্তঃৰাষ্ট্ৰীয় সীমান্তত সীমান্ত সুৰক্ষা বাহিনীয়ে নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰি তুলিছে। সীমান্তৱৰ্তী নদী, চৰ অঞ্চল আৰু উন্মুক্ত এলেকাত চোকা দৃষ্টি ৰখা হৈছে। জিলাখনৰ হাটশিঙিমাৰি মহাবিদ্যালয়ত কাইলৈ কেন্দ্ৰীয়ভাৱে গণৰাজ্য দিসৰ উদযাপন কৰা হ'ব। দিৱসৰ কুচকাৱাজত কাইলৈ ১৪ টা দলে অংশগ্ৰহণ কৰিব। ৰাজ্যৰ অন্যান্য জিলাসমূহত গণৰাজ্য দিৱসৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

গোৱালপাৰা জিলাত প্ৰশাসনে কাইলৈ জেটিএছ খেলপথাৰত কেন্দ্ৰীয়ভাৱে গণৰাজ্য দিৱস উদযাপন কৰিব। এইবেলি কেন্দ্ৰীয় সংৰক্ষিত বাহিনী, গৃহৰক্ষী বাহিনী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, সৈনিক স্কুলৰ লগতে অন্যান্য শিক্ষানুষ্ঠানৰ ২৭ টা দলে কুচকাৱাজত অংশ ল'ব।

বজালী জিলাত ৭৭ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে কাইলৈ পাঠশালা সাহিত্য সভাই স্বৰচিত কবিতা পাঠ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানটো ৰাজ্য চৰকাৰৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত স্বাস্থ্য সেৱা সঞ্চালক ডাঃ সুব্ৰত কুমাৰ শৰ্মাই সঞ্চালনা কৰিব।

ooooo

৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকসন্ধ্যাত আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক উদ্দেশ্যি ভাষণ দিব। সন্ধিয়া ৭ বজাৰ পৰা এই ভাষণ আকাশবাণীৰ সকলো নেটৱৰ্ক আৰু দূৰদৰ্শনৰ সকলো চেনেল যোগে সম্প্ৰচাৰ কৰা হ'ব। দূৰদৰ্শনত হিন্দী আৰু ইংৰাজীত এই ভাষণ প্ৰচাৰৰ পাছতে আঞ্চলিক ভাষাতো এই ভাষণ প্ৰচাৰ কৰা হ'ব। ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ আকাশবাণী গুৱাহাটীয়ে নিশা চাৰে ন বজাত প্ৰচাৰ কৰিব।

ooooo

অসমৰ ৫ গৰাকী বিশিষ্ট ব্যক্তিকে ধৰি দেশৰ মুঠ ১৩১ গৰাকী ব্যক্তিলৈ চলিত বছৰৰ পদ্ম সন্মান আজি ঘোষণা কৰা হৈছে। দেশৰ ৫ গৰাকী কৃতিমান ব্যক্তিলৈ পদ্ম বিভূষণ, ১৩ গৰাকীলৈ পদ্ম ভূষণ আৰু ১১৩ গৰাকীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। সদ্য প্ৰয়াত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবীন্দ্ৰ পুৰকায়স্থলৈ মৰণোত্তৰভাৱে পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। কলা শিতানত বিশিষ্ট সত্ৰীয়া শিল্পী হৰিচৰণ শইকীয়া, যশস্বী কলা নিৰ্দেশক নুৰুদ্দিন আহমেদ আৰু কাৰ্বি লোক-সংগীতৰ বিশিষ্ট শিল্পী পখিলা লেকথেপীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। ইয়াৰ লগতে কৃষি ক্ষেত্ৰত এৰী আৰু ৰেচম বিশেষজ্ঞ যোগেশ দেউৰীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে।

চাৰি দশকৰো অধিক কাল কাৰ্বি লোক-সংগীতৰ চৰ্চা কৰি অহা লোক-শিল্পীগৰাকীয়ে তিনি শতাধিক গীতত কণ্ঠদান কৰিছে। ২০২৩ চনৰ ১৭ জানুৱাৰীত ৰাজ্য চৰকাৰে তেওঁক কাৰ্বি সংগীতৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতিস্বৰূপে শিল্পী বঁটা আৰু শিল্পী পেঞ্চন প্ৰদান কৰে। ২০২৪ চনত তেওঁক ৰাজ্যৰ তৃতীয় সৰ্বোচ্চ অসামৰিক সন্মান অসম গৌৰৱ বঁটাৰে সন্মানিত কৰা হয়। শিল্পীগৰাকীয়ে এই সন্মান লাভ কৰি আমাৰ ডিফুৰ সংবাদদাতাৰ আগত এইদৰে কয় -

-বাইট-

ৰাজ্যৰ যশস্বী কলা নিৰ্দেশক নুৰুদ্দিন আহমেদলৈও চলিত বছৰৰ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। বিভিন্ন চলচ্চিত্ৰ আৰু নাটৰ লগতে কলা নিৰ্দেশনাৰ ক্ষেত্ৰখনলৈ উৎকৃষ্ট বৰঙণি যোগাই অহা আহমেদে ২০১৭ চনত সংগীত নাটক একাডেমী বঁটা লাভ কৰে। শেহতীয়াকৈ বটদ্ৰবা প্ৰকল্পৰ সৌন্দৰ্য্য বৰ্ধন আৰু মূৰ্তি নিৰ্মাণ কাৰ্য্যতো তেওঁ জড়িত আছিল। এই সন্মান লাভ কৰি শিল্পীগৰাকীয়ে আমাৰ কামৰূপ মহানগৰ জিলাৰ সংবাদদাতাৰ আগত এইদৰে মনৰ ভাৱ ব্যক্ত কৰে -

-বাইট-

অসম সাহিত্য সভাই তেওঁক কলাৰত্ন সন্মানেৰেও সন্মানিত কৰিছিল। ৰাজ্যৰ এৰী আৰু ৰেচম বিশেষজ্ঞ যোগেশ দেউৰীলৈও পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। বিশিষ্ট এৰী বিশেষজ্ঞ আৰু ৰাজ্য চৰকাৰৰ ৰেচম বিভাগৰ সহকাৰী সঞ্চালক যোগেশ দেউৰীক ২০২৩ চনত অসম গৌৰৱ বঁটাৰে সন্মানিত কৰা হৈছিল। শ্ৰীদেউৰীয়ে আমাৰ গোৱালপাৰাৰ সংবাদদাতাৰ আগত এইদৰে কয় -

-বাইট-

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্যোগ আৰু ষ্টাৰ্টআপৰ সৈতে জড়িত যুৱক-যুৱতীসকলক গুণগত মান বৃদ্ধিত গুৰুত্ব দিবলৈ আহ্বান জনাইছে। আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰি প্ৰধানমন্ত্ৰীয়ে এই আহ্বান জনায়। এয়া আছিল অনুষ্ঠানটোৰ ১৩০ সংখ্যক খণ্ড। দেশৰ অৰ্থনীতি দ্ৰুত গতিত আগবাঢ়িছে আৰু সমগ্ৰ বিশ্বৰ দৃষ্টি ভাৰতৰ ওপৰত নিবদ্ধ হৈ আছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে দেশত যি উৎপাদন হয়, তাৰ গুণগত মান উন্নত কৰাৰ বাবে আমি সকলোৱে সংকল্প লোৱা উচিত।

মন কী বাতত প্ৰধানমন্ত্ৰীয়ে স্বচ্ছ ভাৰত অভিযানৰ কথা উল্লেখ কৰি অসমৰ নগাঁৱৰ কেইগৰাকীমান ব্যক্তিয়ে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি গ্ৰহণ কৰা পদক্ষেপক বিশেষভাৱে উল্লেখ কৰে। এই লোকসকলে নগাঁও চহৰৰ অলিয়ে-গলিয়ে গোট খাই থকা বহু আৱৰ্জনা পৰিষ্কাৰ কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে প্ৰশংসা কৰে।

-বাইট-

পৰিষ্কাৰ-পৰিচ্ছন্নতা সন্দৰ্ভত উত্তৰ-পূৰ্বাঞ্চলৰ আন এখন ৰাজ্য অৰুণাচল প্ৰদেশৰ কথাও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। ইটানগৰৰ যুৱ সংগঠনে ৰাজহুৱা স্থানত এই অভিযান আৰম্ভ কৰি নাহৰ লগুণ, দৈমুখ, চেপা, পালিন, পাচিঘাটকে ধৰি অনেক এইবোৰ ঠাইত প্ৰায় ১১ লাখ কিলোমিটাৰতকৈ অধিক দূৰত্বৰ আৱৰ্জনা পৰিষ্কাৰ কৰে।

০০০০০

ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি গুৱাহাটীত উত্তৰ পূৰ্বাঞ্চলৰ দুটা বাঁহ প্ৰকল্প মুকলি কৰে। ৮২ কোটি ৫ লাখ টকা ব্যয়সাপেক্ষ এই প্ৰকল্প দুটা মুকলি কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যোৱা ১২ বছৰত উত্তৰ পূৰ্বাঞ্চলত উন্নয়নৰ জোৱাৰ উঠিছে। অসমৰ কাৰ্বি আংলং জিলা আৰু নাগালেণ্ডৰ মুককচাঙত নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্প দুটাত ৪ হাজাৰ ৪০০ যুৱক-যুৱতীক প্ৰশিক্ষণ দি বাঁহেৰে নিৰ্মিত সামগ্ৰীৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্ব দিয়া হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ উপস্থিতিত আজি উত্তৰ পূৰ্বাঞ্চল বাঁহ-বেত উন্নয়ন পৰিষদে এমেজ'ন আৰু ফ্লিপকাৰ্টৰ সৈতে বাণিজ্যিক সহযোগিতাৰ দুখন বুজাবুজিৰ চুক্তিতো স্বাক্ষৰ কৰে।

০০০০০

অসমৰ দুশবছৰীয়া চাহ উদ্যোগৰ অনন্য অৱদানৰ স্বীকৃতিস্বৰূপে আজি মুখ্যমন্ত্ৰীৰ 'এটি কলি দুটি পাত' আঁচনিৰ শুভাৰম্ভ কৰে। তিনিচুকীয়া জিলাৰ ডুমডুমাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। আঁচনিখন মুকলি কৰাৰ পূৰ্বে এই অনুষ্ঠানতে দিনৰ ১১ বজাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'মন কী বাত' অনুষ্ঠানটি সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হয়। 'এটি কলি দুটি পাত' আঁচনিৰ অধীনত ৰাজ্যৰ ৮৩৬ খন চাহ বাগিচাৰ ৬ লাখৰো অধিক শ্ৰমিক আৰু কৰ্মচাৰীক ৫ হাজাৰ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হয়। ৰাজ্যৰ প্ৰতিখন জিলাতে আয়োজিত বিশেষ কাৰ্যসূচীত মন্ত্ৰী তথা বিধায়কসকলে এই আঁচনিৰ অধীনত আৰ্থিক সাহায্য বিতৰণ কৰে।

ডিব্ৰুগড় বিধানসভা সমষ্টিৰ অন্তৰ্গত গ্ৰীণ উড চাহ বাগিচাত এই আঁচনিৰ অধীনত দুহেজাৰ ৫১ গৰাকী চাহ বাগিচাৰ শ্ৰমিক তথা কৰ্মচাৰীৰ মাজত চেক বিতৰণ কৰা হয়। মন্ত্ৰী প্ৰশান্ত ফুকনে চেকসমূহ বিতৰণ কৰি এই আঁচনিৰ জৰিয়তে চাহ শ্ৰমিকসকল যথেষ্ট উপকৃত হ'ব আৰু কৰ্মসম্পাদনৰ প্ৰতি উৎসাহিত হ'ব বুলি উল্লেখ কৰে।

গোলাঘাট জিলাৰ অন্তৰ্গত পাঁচটা বিধানসভা সমষ্টিৰ বিভিন্ন চাহ বাগিচাত আজি এটি কলি দুটি পাত আঁচনিৰ অধীনত চেক বিতৰণ কৰা হয়। ঘিলাধাৰি চাহ বাগিচাত মন্ত্ৰী অজন্তা নেওগ, বৰচাপৰি চাহ বাগিচাত মন্ত্ৰী অতুল বৰা, বৰজান চাহ বাগিচাত সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু বিধায়ক ভৱেন্দ্ৰনাথ ভৰালী, দৰিয়া চাহ বাগিচাত বিধায়ক মৃণাল শইকীয়া আৰু দীঘলীহোলা চাহ বাগিচাত বিধায়ক বিশ্বজিৎ ফুকনে হিতাধিকাৰীসকলৰ মাজত চেকসমূহ বিতৰণ কৰে।

মৰিগাঁও জিলাতো এই আঁচনিৰ অধীনত চাহ শ্ৰমিকসকলক ৫ হাজাৰকৈ টকাৰ আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰা হয়। জিলাখনৰ গোপালকৃষ্ণ চাহ বাগিচাৰ ৰাজহুৱা ৰংগমঞ্চত অনুষ্ঠিত সভাত মন্ত্ৰী পীযুষ হাজৰিকাই হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰে। অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে বাগিচাৰ বাট-পথ উন্নয়নৰ লগতে শ্ৰমিকসকলে যাতে চৰকাৰী সকলো আঁচনিৰ সুবিধা লাভ কৰিব পাৰে সেয়া সুনিশ্চিত কৰাৰ বাবে চৰকাৰ বদ্ধপৰিকৰ। চৰকাৰে বিদ্যালয়, চিকিৎসালয় আদি স্থাপন কৰাই নহয়, বাগিচাৰ যুৱক-যুৱতীসকলৰ বাবে নিযুক্তিৰ ক্ষেত্ৰত ৩ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰিছে বুলি শ্ৰীহাজৰিকাই উল্লেখ কৰে।

কাছাৰ জিলাতো এটি কলি দুটি পাত আঁচনিৰ অধীনত মন্ত্ৰী কৌশিক ৰায়ে চাহ বাগিচাৰ শ্ৰমিক আৰু কৰ্মচাৰীসকলৰ মাজত চেক বিতৰণ কৰে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় লোকসভা সমষ্টিৰ  অন্তৰ্গত দুলিয়াজান বিধানসভা সমষ্টিৰ ১৮ হাজাৰ ৩২৩ গৰাকী আত্ম-সহায়ক গোটৰ মহিলাক ১০ হাজাৰ টকাকৈ চেকযোগে বিতৰণ কৰে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই আঁচনিয়ে মহিলা সৱলীকৰণৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিছে বুলি উল্লেখ কৰে। প্ৰতিগৰাকী মহিলা আত্ম-নিৰ্ভৰশীল হৈ সমাজ তথা দেশৰ বাবে সেৰা আগবঢ়াবলৈ সমৰ্থ হৈছে বুলিও তেওঁ মন্তব্য কৰে।

-বাইট-

এই অনুষ্ঠানত বিধায়ক তেৰছ গোৱালা, তৰংগ গগৈৰ লগতে ডিব্ৰুগড় জিলা প্ৰশাসনৰ বিষয়ববীয়াসকলকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

ooooo

আজি ৰাষ্ট্ৰীয় ভোটদাতা দিৱস। গণতন্ত্ৰক উদযাপন আৰু দেশৰ নিৰ্বাচন প্ৰক্ৰিয়াত প্ৰতিজন নাগৰিকৰ অংশগ্ৰহণক মান্যতা দি প্ৰতি বছৰে ২৫ জানুৱাৰীৰ দিনটো ৰাষ্ট্ৰীয় ভোটদাতা দিৱস হিচাপে উদযাপন কৰা হয়। উল্লেখযোগ্য যে, ১৯৫০ চনৰ এই দিনটোতে ভাৰতীয় সংবিধানৰ ৩২৪ নম্বৰ অনুচ্ছেদৰ অধীনত ভাৰতীয় নিৰ্বাচন আয়োগ গঠন হৈছিল। এই বছৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে- **মোৰ ভাৰত, মোৰ ভোট**। দেশৰ ১১ লাখ নিৰ্বাচনী বুথত আজি এই দিৱস উদযাপন কৰা হ'ব। ভাৰতীয় নিৰ্বাচন আয়োগে ৰাষ্ট্ৰীয় ভোটদাতা দিৱস উপলক্ষে কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰিছে।

ৰাষ্ট্ৰীয় ভোটাৰ দিৱস হিচাপে আজি মাজুলীত নিৰ্বাচনী বিষয়াই নতুন ভোটাৰ, জ্যেষ্ঠ ভোটাৰ, বিশেষভাৱে সক্ষম ভোটাৰৰ লগতে মাজুলীৰ সাংবাদিক আৰু জিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰীৰে ৰাষ্ট্ৰীয় ভোটাৰ দিৱস পালন কৰে। অনুষ্ঠানত জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে শপতবাক্য পাঠ কৰোৱায়। একেদৰে, পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙত জিলা আয়ুক্তৰ কাৰ্যালয়ত ৰাষ্ট্ৰীয় ভোটাৰ দিৱস পালন কৰা হয়। এই দিৱস উপলক্ষে জিলা সদৰ হামৰেনত এটা সমদল উলিওৱা হয়। জিলাখনৰ কেইবাখনো শিক্ষানুষ্ঠানত শিক্ষাৰ্থীৰ মাজত সজাগতা আৰু কুইজ প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়।

কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগতো ৰাষ্ট্ৰীয় ভোটাৰ দিৱস পালন কৰা হয়। কামৰূপ জিলা সংহত আয়ুক্ত কাৰ্যালয়ত হোৱা এটা অনুষ্ঠানত ভোটাৰ দিৱসৰ গুৰুত্ব আৰু ভোটাৰৰ দায়িত্বৰ সম্পৰ্কে এখন সভাৰ আয়োজন কৰা হয়। জিলাখনৰ কেইবাগৰাকীও নতুন ভোটাৰক আকৰ্ষণ কৰাৰ বাবে সম্বৰ্ধনাও জনোৱা হয়।

ooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল খন্তেক পাছতে গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ভাৰতীয় দলটোৱে টছত জিকি নিউজিলেণ্ডক প্ৰথমে বেট ধৰিবলৈ আমন্ত্ৰণ জনায়। ইতিমধ্যে ষ্টেডিয়ামৰ বাহিৰত দৰ্শকৰ ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে। ভাৰতে সম্প্ৰতি এই শৃংখলাত ২-০ৰ অগ্ৰগতি লাভ কৰিছে।

ooooo

সমাপ্ত